# 2019

# ELECTIVE ASSAMESE

## Paper : 6.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×১০=১০

(ক) অসমীয়া চুটিগল্পৰ জনক কোন?

(খ) নদৰামৰ ঘৈণীয়েক কালৈ গুচি গৈছিল?

(গ) 'ৰামধেনু' আলোচনীৰ প্ৰথম সম্পাদক কোন?

(ঘ) 'লাহৰী' উপন্যাসখনৰ ৰচক কোন?

(ঙ) ৰাখৰৰ মাৰ্কিন অফিচাৰ বন্ধুগৰাকীৰ নাম কি?

(চ) গ্ৰন্থাকাৰে প্ৰকাশ পোৱা প্ৰথম অসমীয়া উপন্যাস কোনখন?

(ছ) বলাই মহলদাৰৰ মহৰীগৰাকীৰ নাম কি?

(জ) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য কোন যুগৰ গল্পকাৰ ?

(ঝ) 'মাকণৰ গোসাঁই' গল্পটোত থকা গোসাঁইজনৰ নাম কি ?

(ঞ) 'বাৰিষা' গল্পটো কোনখন গল্পপুথিৰ অন্তৰ্গত ?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) প্লেনচেট কি ?

(খ) বাখৰহঁতৰ ৰান্ধনি ল'ৰাজনৰ নাম কি? সি কাক বিয়া কৰাইছিল ?

(গ) ডুমডুমাৰ কোন দুখন ঠাইত সামৰিক বিমানঘাটি বহিছিল ?

(ঘ) শৰৎচন্দ্ৰ গোস্বামীৰ দুখন গল্পপুথিৰ নাম লিখা।

(ঙ) মধুপুৰৰ জমিদাৰক মানুহে কি বুলি উল্লেখ কৰিছিল, কোনে তেওঁক সেই উপাধি প্ৰদান কৰিছিল ?

৩। তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা : ৫×৪=২০

(ক) 'ডাৱৰ আৰু নাই' উপন্যাসখনৰ নামকৰণৰ তাৎপৰ্য বিচাৰ কৰা।

(খ) আৱাহন যুগৰ চুটিগল্পৰ বৈশিষ্ট্য সম্পৰ্কে চমুকৈ লিখা।

(গ) 'ডাৱৰ আৰু নাই' উপন্যাসখনত সমকালীন ভাৰতবৰ্ষৰ ৰাজনৈতিক পৰিস্থিতি কিদৰে প্ৰতিফলিত হৈছে, লিখা।

(ঘ) 'নদৰাম' গল্পৰ আধাৰত নদৰাম চৰিত্ৰটোৰ মহত্ত্ব বিচাৰ কৰা।

৪। (ক) অসমীয়া চুটিগল্পৰ বিকাশত লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদান সম্পৰ্কে লিখা। ১০

*অথবা*

(খ) অসমীয়া সামাজিক উপন্যাস সম্বন্ধে এটি নিবন্ধ যুগুত কৰা।

৫। (ক) "নিম্নবিত্ত শ্ৰেণীৰ অভাৱগ্ৰস্ত জীৱনৰ সূক্ষ্মাতিসূক্ষ্ম পৰ্যবেক্ষণে 'বাৰিষা' গল্পটোক হৃদয়স্পৰ্শী কৰি তুলিছে।" কথাষাৰ বিচাৰ কৰা। ১০

*অথবা*

(খ) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ গল্পত মানৱীয় চেতনা কেনেদৰে প্ৰকাশ পাইছে? আলোচনা কৰা।

৬। (ক) দ্বিতীয় বিশ্বযুদ্ধই ডুমডুমা চহৰলৈ কেনে পৰিৱৰ্তন আনিছিল, উপন্যাসৰ আধাৰত বিশ্লেষণ কৰা। ১০

*অথবা*

(খ) "ভীম-গৌৰী আৰু বাখৰ-অনুপমাৰ পাৰিবাৰিক জীৱনত আউল লগাৰ মূলতে আছিল যুদ্ধ।" কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰা।

৭। (ক) 'মধুপুৰ' গল্পটোত গল্পকাৰৰ অতীত স্মৃতি কিদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা। ১০

*অথবা*

(খ) চৰিত্ৰ বিশ্লেষণ কৰা (যি কোনো দুটা) : ৫×২=১০

গৌৰী ; বাখৰ ; অনুপমা ; মাকণ ; নাৰায়ণ ; বৰদেউতা।

★★★